# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HC–3036

**( Culture of Assam )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমৰ এটি মাতৃপ্ৰধান জনগোষ্ঠীৰ নাম লিখা।

(খ) ‘চমাংকান’ অসমৰ কোনটো জনগোষ্ঠীৰ উৎসৱ?

(গ) *Mother Goddess Kamakhya* গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ এটি জনগোষ্ঠীৰ নাম লিখা।

(ঙ) ফাগুন মাহৰ প্ৰথম বুধবাৰটোত মিচিংসকলে কি উৎসৱ পালন কৰে?

(চ) 'বাথৌ-ব্ৰাই' কোন জনগোষ্ঠীৰ উপাস্য দেৱতা ?

(ছ) 'গাঁথিয়ন খুন্দা' লোকাচাৰৰ লগত কোনটো উৎসৱ জৰিত ?

(জ) অসমৰ যি কোনো এটি পৰিৱেশ্য কলাৰ নাম লিখা ।

(ঝ) আহোম যুগৰ এটি স্থাপত্যৰ নাম লিখা ।

(ঞ) শুভংকৰ কবিয়ে ৰচনা কৰা নৃত্য-বিষয়ক গ্ৰন্থখনৰ নাম কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা ।

(খ) অসমৰ দুখন শক্তিপীঠৰ নাম লিখা ।

(গ) প্ৰাচীন অসমত চৰাইৰ দ্বাৰা খেলোৱা দুবিধ খেলৰ নাম লিখা ।

(ঘ) অসমৰ প্ৰাচীন স্থাপত্যবোৰ স্থায়ী হৈ নথকাৰ দুটা কাৰণ উল্লেখ কৰা ।

(ঙ) "অসমত প্ৰচলিত পৰিৱেশ্য কলাসমূহক মূলত দুটা ভাগত ভাগ কৰিব পাৰি ।" ভাগ দুটা কি কি ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "সংস্কৃতি সামাজিক উত্তৰাধিকাৰ ।" কথাষাৰ ব্যাখ্যা কৰা ।

(খ) অসমীয়া জাতিগঠন প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ লিখা ।





(গ) কৃষি উৎসৱ হিচাপে মহোহো *অথবা* ভঠেলিৰ এটি আলোচনা আগবঢ়োৱা ।

(ঘ) গোৱালপাৰা অঞ্চলত প্ৰচলিত এবিধ পৰিৱেশ্য কলাৰ পৰিচয়মূলক টোকা লিখা ।

(ঙ) অসমীয়া সমাজত প্ৰচলিত জন্ম-সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে চমুকৈ লিখা ।

(চ) আহোম যুগত প্ৰচলিত খেল-ধেমালিসমূহৰ এটি চমু আভাস দিয়া ।

৪। (ক) অসমৰ জনজাতীয় সংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা । ১০

*অথবা*

(খ) "বিভিন্ন জাতি-উপজাতিক ঐক্যবদ্ধ কৰি এক অসমীয়া জাতিগঠন আহোমসকলৰ অতুলনীয় কীৰ্তি ।" এই উক্তিৰ আধাৰত অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত আহোমসকলৰ অৱদান সম্পৰ্কে লিখা ।

৫। (ক) প্ৰাচীন কালৰ পৰা অসমত প্ৰবাহিত হৈ থকা শাক্ত ধৰ্মৰ ধাৰা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা । ১০

*অথবা*

(খ) অসমৰ সত্ৰীয়া সংস্কৃতিয়ে অসমীয়া সমাজ-জীৱনক কিদৰে সমৃদ্ধ কৰিছে, আলোচনা কৰা ।

৬। (ক) বিহু গীতবোৰৰ মাজত অসমৰ কৃষিজীৱী সমাজ-জীৱনৰ চিত্ৰ কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) বিহু উৎসৱৰ লগত কৃষি-সম্পৰ্কীয় কেনেধৰণৰ লোকবিশ্বাস প্ৰচলন আছে, আলোচনা কৰা।

৭। (ক) প্ৰাচীন অসমত স্থাপত্য নিৰ্মাণত কেনেধৰণৰ কেঁচা সামগ্ৰী ব্যৱহাৰ কৰিছিল? অসমৰ স্থাপত্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) অসমৰ সচিত্ৰ পুথিসমূহৰ এটি ৰূপৰেখা তুলি ধৰা।

★★★